কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
Ref :

তাৰিখ :
Date :

# অসম জাতীয় বিদ্যালয়ত সাহিত্য দিৱস উদ্‌যাপন

**গুৱাহাটী, ৩০ এপ্ৰিল, ২০১৯ :** আজি অসম জাতীয় বিদ্যালয়ৰ ৰসৰাজ সাহিত্য চ'ৰাৰ উদ্যোগত 'সাহিত্য দিৱস' উদ্‌যাপন কৰা হয়। পুৱা ৯.৪৫ বজাত সাহিত্যৰথীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ আৰম্ভণি কৰে বিদ্যালয়ৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীয়ে। ইয়াৰ পিছতে বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে এটি সৰস্বতী বন্দনা পৰিৱেশন কৰে। অধ্যক্ষ ঘনশ্যাম মেধিয়ে সকলোৱে উদ্দেশ্যি আদৰণী ভাষণ দিয়াৰ পিছতে দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে ইংৰাজী বিভাগৰ শিক্ষয়িত্ৰী ডলী চৌধুৰীয়ে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট কবি, লেখক, অধ্যাপক জীৱন নৰহ। ভাষণ প্ৰসংগত নৰহে অসমীয়া ভাষা সাহিত্যক চহকী কৰি মাতৃ ভাষাক সুৰক্ষিত কৰাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা বিশিষ্ট সাহিত্যিকসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক মাতৃভাষা ৰক্ষাৰ আন্দোলনৰ সেনানী বুলি উল্লেখ কৰি তেওঁ আইৰ মুখৰ ভাষাটোৰ শ্ৰীবৃদ্ধিৰ বাবে অৰিহণা যোগাবলৈ শিক্ষাৰ্থীসকলক আহ্বান জনায়। উল্লেখযোগ্য যে এই অনুষ্ঠানতে সাহিত্য দিৱসৰ সৈতে সংগতি ৰাখি সদৌ অসম ভিত্তিত আৰু বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজত দুটা পৰ্যায়ত সাহিত্য বিষয়ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। সদৌ অসম ভিত্তিত তিনিটা শাখাত অনুষ্ঠিত প্ৰতিযোগিতাৰ 'ক' শাখাত ষষ্ঠ-সপ্তম শ্ৰেণীৰ মাজত 'পেলনীয়া সামগ্ৰীৰ সদ্ব্যৱহাৰ' শীৰ্ষক বিষয়ত অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী শাব্দী ভৰদ্বাজে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে চিনামৰা জাতীয় বিদ্যালয়, যোৰহাটৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী বেদিষ্ণা দেৱী আৰু একেখন বিদ্যালয়ৰে ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী আস্থাৰাণী বৰাই। তৃতীয় পুৰস্কাৰ লাভ কৰে চিনামৰা জাতীয় বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী গায়ত্ৰী বড়া, অসম জাতীয় বিদ্যালয়, নুনমাটিৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী প্ৰজ্ঞা বিজয় লস্কৰ আৰু অসম জাতীয় বিদ্যালয়, নুনমাটিৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী ৰুদ্ৰাক্ষী দত্তচৌধুৰীয়ে। 'খ' শাখাত অষ্টম-নৱম শ্ৰেণীৰ মাজত 'নৈতিক চৰিত্ৰ গঠনত সাধুকথাৰ ভূমিকা' শীৰ্ষক বিষয়ত অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ নৱম শ্ৰেণীৰ ছাত্ৰ ৰোহন গৌতম শৰ্মাই। দ্বিতীয় পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ নৱম শ্ৰেণীৰ ছাত্ৰী গীতাৰ্থী বৰাই আৰু তৃতীয় স্থান লাভ কৰে ভোলানাথ সন্দিকৈ আদৰ্শ জাতীয় বিদ্যালয়, যোৰহাটৰ কুঁৱলী কাশ্যপ আৰু অসম জাতীয় বিদ্যালয়, নুনমাটিৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী অলিম্পিকা চৌধুৰীয়ে। উদ্‌গণিমূলক বঁটা লাভ কৰে ৰূপাই জাতীয় বিদ্যালয়, তিনচুকীয়াৰ নৱম শ্ৰেণীৰ ছাত্ৰী কৃষ্ণামণি মৰাণ আৰু গুৱাহাটীৰ নীলাচল জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী মনস্মিতা কলিতাই। 'গ' শাখাত নৱম, দশম আৰু একাদশ শ্ৰেণীৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতা (বিষয়— 'আজি যদি কৃপাবৰ বৰবৰুৱা থাকিলহেঁতেন' আৰু 'অসমীয়া চলচ্চিত্ৰৰ প্ৰত্যাহ্বান আৰু সম্ভাৱনা')ত প্ৰথম পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ দশম শ্ৰেণীৰ ছাত্ৰী অয়নাশ্ৰী গোস্বামীয়ে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থী বৰ্ণিল মেধি আৰু অসম জাতীয় বিদ্যালয়, নুনমাটিৰ দশম শ্ৰেণীৰ ছাত্ৰী হৃদিকা চক্ৰৱৰ্তীয়ে। তৃতীয় পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থী পূজা বৰাই। উদ্‌গনিমূলক বঁটা লাভ কৰে অসম জাতীয় বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক (কলা শাখাৰ) চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী গুঞ্জন দাস, অসম জাতীয় বিদ্যালয়, নুনমাটিৰ দশম শ্ৰেণীৰ ছাত্ৰী অনন্যা মেধি আৰু উচ্চতৰ মাধ্যমিক কলা শাখাৰ চূড়ান্ত পৰীক্ষাৰ্থী দৰ্শনা দত্তচৌধুৰীয়ে। সাহিত্য দিৱস উপলক্ষে অসম জাতীয় বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত আয়োজিত গ্ৰন্থ আলোচনা প্ৰতিযোগিতাত ষষ্ঠ শ্ৰেণীত (গ্ৰন্থ— অৰূপা পটংগীয়া কলিতাৰ 'কাঁইটত কেতেকী') প্ৰথম পুৰস্কাৰ লাভ কৰে বসুধা সঞ্জয়ে, দ্বিতীয় পুৰস্কাৰ লাভ কৰে সাক্ষী প্ৰিয়ম্বদাই আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে জহেব জামান আৰু কংকনা ডেকাই। উদ্‌গনিমূলক বঁটা লাভ কৰে ধ্ৰুবৰ্ণা বৰগোঁহাঞি আৰু মূৰ্চ্ছনা শৰ্মাই। সপ্তম

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০

Noonmati, Guwahati - 781020

0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ :
Ref :

তাৰিখ :
Date :

শ্ৰেণীত (গ্ৰন্থ— 'সাউদৰ পুতেকে নাওমেলি যায়', হোমেন বৰগোহাঞি) প্ৰথম পুৰস্কাৰ লাভ কৰে জোনাকনন্দা শৰ্মাই, দ্বিতীয় পুৰস্কাৰ লাভ কৰে হিমশিখা শৰ্মাই আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে ৰিয়েলিনা ভৰদ্বাজে। উদ্‌গনিমূলক বঁটা লাভ কৰে জুপিতৰা শৰ্মা আৰু শিবাংগী বেজবৰুৱাই। অষ্টম শ্ৰেণীত (গ্ৰন্থ— ড° ৰুবুল মাউটৰ 'মোৰো এটা সপোন আছে') প্ৰথম পুৰস্কাৰ লাভ কৰে স্নেহা দাসে, দ্বিতীয় পুৰস্কাৰ লাভ কৰে ৰক্তিম অভিনন্দন বৰ্মনে আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে সৃজন বৰুৱাই। উদ্‌গনিমূলক বঁটা লাভ কৰে কল্পজ্যোতি ভৰদ্বাজে। নৱম শ্ৰেণীত (গ্ৰন্থ— ড° ভৱেন্দ্ৰনাথ শইকীয়াৰ 'জীৱন বৃত্ত') প্ৰথম পুৰস্কাৰ লাভ কৰে দেৱাংগ খনিকৰে, দ্বিতীয় পুৰস্কাৰ লাভ কৰে আন্তৰিক অনুৰাগ হাজৰিকাই আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে পপী নাথে। উদ্‌গনিমূলক বঁটা লাভ কৰে নিশান্ত চৌধুৰীয়ে। দশম শ্ৰেণীত (গ্ৰন্থ— নৱকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়') প্ৰথম পুৰস্কাৰ লাভ কৰে বিষ্ণুৱাত বৰাই, দ্বিতীয় পুৰস্কাৰ লাভ কৰে গীতপ্ৰদীপ ৰাজখোৱাই আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে অয়নাশ্ৰী গোস্বামীয়ে। উদ্‌গনিমূলক বঁটা লাভ কৰে ভাস্বতী চৌধুৰীয়ে। এই অনুষ্ঠানতে বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে প্ৰস্তুত কৰি উলিওৱা 'কাকতৰ টোপোলা' শীৰ্ষক এখনি প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই। অনুষ্ঠানত সাহিত্য প্ৰতিযোগিতাৰ দুগৰাকী বিচাৰক লেখক জুৰি বৰুৱা আৰু গুৱাহাটী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° ধৰণী লাহন উপস্থিত থাকি শিক্ষাৰ্থীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। বিদ্যালয়ৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীয়ে 'সংস্কৃত সাহিত্য আৰু কালিদাস' শীৰ্ষক বিষয়ত এক বক্তৃতা আগবঢ়ায়। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মাই পুৰস্কাৰ লাভ কৰা শিক্ষাৰ্থীসকলক অভিনন্দন জনায় আৰু ভৱিষ্যতেও এনেধৰণৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। সাহিত্য দিৱসৰ এই অনুষ্ঠানত বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰাৰ উপৰি বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধি আৰু অসমীয়া বিভাগৰ শিক্ষক ভাস্কৰজ্যোতি হালৈয়ে গীত পৰিৱেশন কৰে। বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী পল্লৱী গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটোৰ সদৌ শেষত সকলোকে কৃতজ্ঞতা জনাই শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ উপাধ্যক্ষ ৰবীন্দ্ৰ বৰ্মনে। সাহিত্য দিৱসৰ সমগ্ৰ অনুষ্ঠানটোৰ আহ্বায়কৰ দায়িত্বত আছিল অসমীয়া বিভাগৰ শিক্ষক দীপক কোচ।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ'ন : ৯৭০৬০২৫১৬৭

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : তাৰিখ :
*Ref* : *Date* :

# Sahitya Divas at Assam Jatiya Bidyalay

**Noonmati, Guwahati, 30 April :** In order to pay tribute to all the literary icons of Assamese literature, Assam Jatiya Bidyalay in collaboration with its literary cell namely 'Rasaraj Sahitya Chora' today observed 'Sahitya Divas' in the school premises. The programme began with the garlanding of the portrait of one of the legends of modern Assamese literature Lakshminath Bezbaruah and lighting of the ceremonial lamp by Sri Narendra Mohan Goswami, Academic officer of the school. After the welcome address delivered by the Principal Ghanashyam Medhi, the significance of the occasion was conveyed to the audience by Dolly Choudhury, teacher of the department of English. On the occasion of the Divas, a wall magazine namely 'Kakatar Topola' was inaugurated by the Rector of the school Sri Ranjit Narayan Deka. This was followed by a very fruitful and inspiring lecture by the chief guest of the programme, lecturer Jivan Narah, also famous poet and author, emphasizing the richness of Assamese language. He encouraged the students to collect gems of world literature with the help of their mother tongue, which he said will strengthen the Assamese language. In the programme the winners of different state-level literary competitions were awarded. In the first category, the first prize was won by Sabdi Bharadwaj, Assam Jatiya Bidyalay, Noonmati. The second prize went to Bedishna Devi and Astharani Bora, Cinnamara Jatiya Bidyalay, Jorhat. The third prize went to Gayatri Bora, Pragya Bijay Laskar and Rudrakshi Duttachoudhury, Assam Jatiya Bidyalay, Noonmati. In the second category the first prize went to Rohan Gautam Sharma, Assam Jatiya Bidyalay, Noonmati. The second prize went to Gitarthi Bora, Assam Jatiya Bidyalay, Noonmati. The third prize was won by Kuwali Kashyap, Bholanath Handique Adarsha Jatiya Bidyalay, Jorhat and Olimpika Choudhury, Assam Jatiya Bidyalay, Noonmati. The consolation prize went to Krishna Moni Moran, Rupai Jatiya Bidyalay, Tinisukia and Manasmita Kalita, Nilachal Jatiya Bidyalay, Guwahati. In the third category the first prize was won by Oyanashri Goswami, Assam Jatiya Bidyalay, Noonmati. The second prize went to Barnil Medhi and Hridika Chakravarty, Assam Jatiya Bidyalay, Noonmati. The third prize went to Puja Bora, Assam Jatiya Bidyalay, Noonmati. The consolation prize went to Gunjan Das, Ananya Medhi and Darshana Duttachoudhury, Assam Jatiya Bidyalay, Noonmati. In the book review competition held among the students of class VI to X, in class VI, the first and second prize went to Basudha Sanjay and Sakshi Priyambada respectively. The third prize was jointly bagged by Johaib Zaman and Kankana Deka. The consolation prize went to Dhribarna Borgohain and Murchana Sharma. In class VII, the first prize was won by Jonaknanda Sharma, the second prize went to Himsikha Sharma and Realina Bharadwaj. Jupitara Sharma and Shivangi Bezbarua were given the consolation prize. In class VIII, Sneha Das, Raktim Abhinandan Barman and Srizon Baruah won the first, the second and the third prize respectively. The consolation prize went to Kalpajyoti

কৰ্ম মোৰ সংস্কৃতি

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : তাৰিখ :

*Ref :* *Date :*

Bharadwaj. In class IX, Debanga Khanikar, Antarik Anurag Hazarika and Poppy Nath won the first, the second and the third prize respectively. The consolation prize went to Nishanta Choudhury. In class X, the first, the second and the third prize went to Bishnurat Bora, Geet Pradip Rajkhowa and Oyanashri Goswami respectively. The consolation prize went to Bhaswati Choudhury. Among the four judges of these competitions Dr. Dharani Lahan and Smt. Juri Barua were present and spoke a few inspiring words addressing the student participants. Juri Barua presented a close analysis of the writing of the participants on the topic 'The Challenges and Possibilities of Assamese Motion Picture'. Dr. Dharani Lahan expressed his opinion on the book review on 'Moro Eta Sapon Ase' by Dr. Rubul Maut and 'Saudar Puteke Nao Meli Jai' by Homen Borgohain submitted by the student participants of class VII and VIII. He pointed out many important aspects of the genre, critical appreciation of a book. The Academic officer of the school Sri Narendra Mohan Goswami delivered an invaluable speech on the topic 'Sanaskrit Literature and Kalidasa' where he mentioned the maginificance of Sanaskrit Literature and its influence on other Indian languages. Some of the participants also shared their feeling. Some of the students performed songs and dance programme and Principal Ghanashyam Medhi and teacher Bhaskarjyoti Haloi also presented a beautiful duet song. The three hour long programme where along with the AJB family many other teachers and students of different school from across the State were present, came to an end with the offering of the vote thanks by the Vice-Principal of the school Rabindra Barman. The convenor of this Sahitya Divas was Dipak Koch a teacher of department of Assamese. The programme was compered by Pallavi Goswami another teacher of the same department.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay